# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে গ্ৰেপ্তাৰ কৰা কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীক  কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাৰ পাছত তেওঁলোকক হাফলং কাৰাগাৰলৈ নিয়া হৈছে। ব্যাপক নিৰাপত্তাৰ মাজত আৰক্ষীৰ কেইবাখনো গাড়ীৰে  তেওঁলোকক কাৰাগাৰলৈ নিয়া হয়।

ইয়াৰ আগতে ১৪ দিনৰ আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পাছত শেখৰ জ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক আজি আগবেলা কামৰূপ মহানগৰ ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়।

ইপিনে, যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত জিলাখনত  কৰ্তন কৰা ম'বাইল ইণ্টাৰনেট সেৱা আজিৰে পৰা বাহাল কৰা হৈছে। অৱশ্যে জিলাখনত সান্ধ্য আইন আজিও অব্যাহত আছে আৰু নিকাছি কাৰাগাৰৰ সন্মুখৰ পথেৰে সৰ্বসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। অঞ্চলটোত অসম আৰক্ষীৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু ৰেপিড এক্সন বাহিনীৰ লোকে অহৰ্নিশে পহৰা দি আছে।

০০০০০

বিশ্বনাথ জিলাৰ গহপুৰ সমজিলাৰ ভোলাগুৰি চাহ বাহিচাত নিৰ্মাণ হ'বলগীয়া ছহিদ কনকলতা বিশ্ববিদ্যালয়ৰ আধাৰশিলা অহা ৮ নৱেম্বৰত স্থাপন কৰা হ'ব। স্থানীয় বিধায়ক উৎপল বৰাই এই কথা সদৰি কৰি কয়, যে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে এই বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও এই অনুষ্ঠানত উপস্থিত থাকিব বুলি বিধায়কগৰাকীয়ে জানিবলৈ দিয়ে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে আধাৰশিলা স্থাপনৰ পাছত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। বিশ্ববিদ্যালয়খনৰ বাবে ৭৩৮ বিঘা ভূমি আৱণ্টন দিয়া হৈছে বুলি বিধায়ক শ্ৰী বৰাই জানিবলৈ দিয়ে।

*(বাইট ঃ উৎপল বৰা)*

উল্লেখযোগ্য যে, এই বিশ্ববিদ্যালয়ত পৰম্পৰাগত বিষয়সমূহৰ উপৰি কৃত্ৰিম বুদ্ধিমত্তা, ৰ'ব'টিক বিজ্ঞান আদি বিষয়ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হ'ব। ইতিমধ্যে বিশ্বনাথ জিলা প্ৰশাসনে এই অনুষ্ঠানৰ প্ৰস্তুতি আৰম্ভ কৰিছে।

০০০০০

টাই আহোম জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত আজি ধেমাজী জিলাৰ চিলাপথাৰত আটাছুৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। জনগোষ্ঠীটোৰ হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে আজি চিলাপথাৰ বিশাল প্ৰতিবাদী সমদলেৰে উত্তাল কৰি তোলে। টাই আহোম জনগোষ্ঠী জনজাতিকৰণ, স্বায়ত্ত শাসন প্ৰদান আৰু ভূমি পট্টাৰ দাবীত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদৰ সময়ত টাই আহোম সহ ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান নকৰিলে নতুন ৰাজনৈতিক দল গঠন কৰাৰো হুংকাৰ দিয়ে। তাৰোপৰি ২০২৬ ৰ বিধানসভা নিৰ্বাচনত চৰকাৰক ইয়াৰ উচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি কয়। উল্লেখযোগ্য যে প্ৰতিবাদৰ মাজতে আটাছুৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণত ট্ৰাইবেল সংঘক হস্তক্ষেপ নকৰিবলৈ সকিয়নি দিয়ে।

০০০০০

বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰত আজি আৰক্ষীয়ে বন্দুক আৰু সজীৱ গুলিসহ ৩ জন চোৰাং চিকাৰীক আটক কৰে। বিশ্বনাথ আৰু মাজুলী জিলাৰ আৰক্ষীৰ যুটীয়া অভিযানত এটা বন্দুক আৰু ৯ জাই সজীৱ গুলি উদ্ধাৰ কৰা হয়। গোপন সূত্ৰৰ ভিত্তিত জিলাখনৰ গহপুৰ সমজিলাৰ অন্তৰ্গত ধন্দী পথাৰৰ দেৱজিৎ পেগুৰ ঘৰৰ পৰা এই বন্দুক আৰু গুলিসমূহ উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে এই ঘটনা সংক্ৰান্তত মুহিকান্ত পেগু নামৰ এজন লোকক প্ৰথমে আটক কৰে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিতেই মাজুলীৰ এক নম্বৰ মিছামৰা নিৱাসী মনোজ পাথাৰী আৰু কিৰণ পেগুক আৰক্ষীয়ে আটক কৰিবলৈ সমৰ্থ হয়। গহপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চলা অভিযানটোত আটকাধীন ব্যক্তিকেইজনে গঁড়ৰ চোৰাং চিকাৰৰ চেষ্টা কৰাৰ তথ্যও পোহৰলৈ আহিছে।

০০০০০

স্বাস্থ্যবান অসম গঢ়াৰ লক্ষ্যৰে চৰকাৰৰ নিৰ্দেশ অনুসৰি স্বাস্থ্য বিভাগে ৰূপায়ণ কৰা শুশ্ৰুষা সেতু কাৰ্যসূচীৰ অধীনত আজি মৰিগাওঁত এটা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। মন্ত্ৰী পিযুষ  হাজৰিকা, জিলা আয়ুক্ত অনামিকা তিৱাৰী, মৰিগাঁও জিলা স্বাস্থ্য বিভাগৰ  যুটীয়া সঞ্চালক, জাগীৰোড সমজিলাৰ আয়ুক্তকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে এই শিবিৰত অংশগ্ৰহণ কৰে। জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এই শিবিৰত ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ-কিশোৰীক বিশেষ গুৰুত্ব দিয়া হয়। শিবিৰত স্বাস্থ্য পৰীক্ষা, ৰোগ নিৰ্ণয় আৰু চিকিৎসাৰ সুবিধা দিয়া হৈছে।

ধেমাজী জিলাৰ চিচিবৰগাওঁ বিধানসভা সমষ্টিতো আজি এই স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। সমষ্টিটোৰ অন্তৰ্গত চিচি চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই স্বাস্থ্য শিবিৰত ১৮ বছৰ অনুৰ্ধ লৰা ছোৱালীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। স্বাস্থ্য শিবিৰটো লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই উদ্বোধন কৰে।

বজালীতো জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ সহযোগত   স্বাস্থ্য শিবিৰৰ অনুষ্ঠিত কৰা হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি এই শিবিৰ মুকলি কৰে। উদ্বোধনী সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ জৰিয়তে অসমত এখন স্বাস্থ্যবান সমাজ গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰা হৈছে। ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিত এই শিবিৰ আয়োজন কৰা হৈছে।

০০০০০

সমাপ্ত